**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

—————————————————

অহা আগষ্টৰ প্ৰথম সপ্তাহৰ পৰা হিতাধিকাৰীসকলে অৰুণোদয় আঁচনিৰ ধন পুনৰ নিয়মিতভাৱে লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে কালি এই কথা সদৰি কৰি কয়, যে সুলভ মূল্যত চেনী, দাইল আদিও আগষ্টৰ পৰাই জনসাধাৰণে লাভ কৰিব। এই সন্দৰ্ভত জুলাইত উত্থাপন হ'বলগীয়া পূৰ্ণাংগ বাজেটত সবিশেষ উল্লেখ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে নিযুত মইনা, নিযুত বাবু, জীৱন প্ৰেৰণা আদি জনকল্যাণমূলক আঁচনিসমূহো অহা আগষ্টৰ পৰা পুনৰ নিয়মীয়াকৈ চলিব বুলি জানিবলৈ দিয়ে।

ডং শৰ্মাই গুৱাহাটীৰ ৰিং ৰোড, কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ লগতে ১৮ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া নুমলীগড় আৰু গহপুৰৰ মাজৰ সুৰংগ কাম শীঘ্ৰেই আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। তদুপৰি বাইহাটা চাৰিআলিৰ পৰা তেজপুৰৰ মিছন চাৰিআলিলৈকে ৪ টা লেনযুক্ত পথ, গুৱাহাটী বিমান বন্দৰৰ পৰা জালুকবাৰীলৈ এলিভেটেড কৰিডৰ, শিলিগুৰিৰ পৰা শিলচৰ সংযোগী এক্সপ্ৰেছ হাইৱে আদিকে ধৰি বহুকেইটা নতুন প্ৰকল্পৰ কামো বাস্তৱ হোৱাৰ দিশে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ডং শৰ্মাই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ৫০০ কোটি টকাৰ উন্নয়নমূলক পুঁজিত অনুমোদন জনোৱা হৈছে বুলি জানিবলৈ দিয়ে।

**বাইট**

০০০০০০

ৰাজ্যৰ কৃষি খণ্ডক অধিক শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰাৰ লক্ষ্যৰে কৃষিমন্ত্ৰী পিযুষ হাজৰিকাই কালি বিভিন্ন জিলাৰ কৃষি বিষয়া তথা অভিযান্ত্ৰিক কোষৰ  বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত কৃষকসকলৰ সমস্যাৰ বুজ লোৱাৰ লগতে কৃষকৰ চৰকাৰী পঞ্জীয়ন বৃদ্ধি কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়া হয়। তদুপৰি মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি বীজ বিতৰণ, গছপুলি আৰু সাৰ বিতৰণৰ বাবে বিশেষ ব্যৱস্থা কৰিবলৈও শ্ৰীহাজৰিকাই নিৰ্দেশ দিয়ে। তেওঁ কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীসকলক সঠিক সময়ত কাৰ্যালয়ত উপস্থিত হোৱাৰ লগতে নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ১৫ দিনৰ ভিতৰত সকলো জিলা কৃষি বিষয়া, কৃষক উৎপাদক কেন্দ্ৰসমূহলৈ যাব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। তদুপৰি কৃষকক বীজ দেৰিকৈ দিয়া বিষয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে  সঁকিয়াই দিয়ে। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি খণ্ডৰ সৈতে জড়িত প্ৰতিখন জনকল্যানমূলক আঁচনি সফল ৰূপায়ণৰ জৰিয়তে কৃষকসকলক উচিত মৰ্যাদা প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে। বৈঠকত কৃষিমন্ত্ৰীগৰাকীয়ে কৃষকৰ উপাৰ্জন  দুগুণলৈ বৃদ্ধি কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

অহা ২১ জুনত হ'বলগীয়া দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত জিলা যোগ কেন্দ্ৰত কালি জিলাভিত্তিক যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ১০ৰ পৰা ৩৫ বছৰ উৰ্ধৰ চাৰিটা শাখাত ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মৰিয়নীৰ সমজিলা আয়ুক্ত অভিজিত গগৈ, যোৰহাট জিলা ক্ৰীড়া বিষয়া ৰাহুল শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

স্বাধীনতা সেনানী তথা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক ব্ৰিটিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিছিল। ১৯৪৩ চনৰ আজিৰ দিনটোতে কুশল কোঁৱৰক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শ্বহীদগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসীম দেশপ্ৰেম আৰু আত্মবলিদানৰ অজেয় প্ৰতীক শ্বহীদ কুশল কোঁৱৰৰ পুন্য তিথিত তেখেতলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ কয়, যে দেশমাতৃৰ মুক্তিৰ বাবে কুশল কোঁৱৰৰ আত্মোৎসৰ্গৰ গৌৰৱগাথাই আমাৰ জাতীয় চেতনাক চিৰকাললৈ উদ্বুদ্ধ কৰি ৰাখিব।

০০০০০০

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী মুক্তিযোদ্ধা, স্বাধীন চাৰিগাঁও ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰূপে খ্যাত লক্ষেশ্বৰ বৰুৱাৰ জীৱন আৰু কৃতি সম্বলিত **৪২'ৰ ৰাষ্ট্ৰপতি লক্ষেশ্বৰ বৰুৱা** শীৰ্ষক এখন গ্ৰন্থ কালি উন্মোচন কৰা হয়। যোৰহাটৰ মুক্তিযুঁজাৰু ভৱনত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ দীপজ্যোতি ৰাজখোৱাই গ্ৰন্থখন উন্মোচন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সাংসদ কামাখ্যা প্ৰসাদ তাছা, সাহিত্যিক ডঃ চেনিৰাম দত্ত, মুক্তিযুঁজাৰু সন্মিলনৰ গিৰিশ বৰদলৈ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

**সমাপ্ত**